**অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ শুভ আৰম্ভণি**

**নুনমাটি, ১ জানুৱাৰি, ২০১৮** : অসমৰ আগশাৰীৰ শিক্ষানুষ্ঠান নুনমাটিস্থ অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ প্ৰথম দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে অসম জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে শিক্ষয়িত্ৰী শ্ৰীযুতা অপৰাজিতা দত্তই। ইয়াৰ পিছতেই প্ৰয়াত প্ৰতিষ্ঠাপক সদস্য আৰু শিক্ষকৰ প্ৰতিকৃতিৰ আগত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, পৰিচালনা সমিতিৰ সচিব ডাঃ নাৰায়ণ শৰ্মা, সভাপতি শ্ৰীযুত দিলীপ কুমাৰ দত্তচৌধুৰী আৰু বিদ্যালয়ৰ দুগৰাকী অভিভাৱকে। ২৫তম প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অজাবিৰ প্ৰাংগণত ২৫খন পতাকা উত্তোলন কৰা হয়। অধ্যক্ষৰ আদৰণি ভাষণৰ পিছতেই বিদ্যালয়ৰ ২৫ গৰাকী শিক্ষাৰ্থীয়ে বৰগীত পৰিৱেশন কৰে। বিদ্যালয়ৰ ৰেক্টৰ শ্ৰীযুত ৰঞ্জিত নাৰায়ণ ডেকাই ১ জানুৱাৰিত জন্ম লাভ কৰা শিক্ষাৰ্থীসকলক শুভেচ্ছা পত্ৰ প্ৰদান কৰে। বিদ্যালয়ৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীয়ে জাতীয় বিদ্যালয় সংগীত পৰিৱেশন কৰে। বিদ্যালয়ত নতুনকৈ যোগদান কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলক সকলোৰে আগত চিনাকী কৰাই দিয়ে বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী শ্ৰীযুতা যুথিকা পাটোৱাৰীয়ে। মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমৰ বিশিষ্ট সাহিত্যিক ড° লক্ষ্মীনন্দন বৰাদেৱ। ২৫তম প্ৰতিষ্ঠা দিৱস আৰু ৰূপালী জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি অসমৰ ২৫খন বিদ্যালয়ৰ পঞ্জীয়ন কৰা হয়। এই কাৰ্যসূচীটোৰ পৰিচালনা কৰে জ্যেষ্ঠ শিক্ষক শ্ৰীযুত অসীম কৃষ্ণ বৰা, পঞ্জীয়ন পত্ৰখন পাঠ কৰে শিক্ষয়িত্ৰী শ্ৰীযুতা অৰ্পণা দেৱী আৰু বিদ্যালয়কেইখনক পঞ্জীয়ন পত্ৰ প্ৰদান কৰে বিদ্যালয়ৰ ৰেক্টৰ, পৰিচালনা সমিতিৰ সভাপতি আৰু সচিবে। পৰিচালনা সমিতিৰ ফালৰ পৰা সচিব ডাঃ নাৰায়ণ শৰ্মাই নিজৰ বক্তব্য ৰাখে। শলাগৰ শৰাই আগবঢ়ায় উপাধ্যক্ষা শ্ৰীযুতা উদয়া ফুকনে। এই সমগ্ৰ অনুষ্ঠানটো পৰিচালনা কৰে শ্ৰীযুতা অপৰাজিতা দত্তই।

পুৱা ১১ বজাত বিদ্যালয় চৌহদৰ পৰা উলিওৱা সাংস্কৃতিক শোভাযাত্ৰা গুৱাহাটী ক্লাবলৈ আগবাঢ়ে। এই শোভাযাত্ৰাত গায়ন-বায়নৰ এটা দল, বিদ্যালয়ৰ প্ৰতীক পট, অজাবিৰ ইউনিফৰ্ম পৰিহিত শিক্ষাৰ্থীৰ দল, অসমৰ উত্তৰ-পূব ভাৰতৰ ব্ৰহ্মপুত্ৰ নদী-উপনদী ইত্যাদি সম্বলিত মানচিত্ৰ, বিহু-হুঁচৰিৰ দল, অসমৰ জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত সাজ-পোচাকৰ দল, অসমৰ ইতিহাসৰ প্ৰাচীন, মধ্য আৰু আধুনিক যুগৰ প্ৰতীকী প্ৰতিফলন, মাতৃভাষা মাধ্যমৰ গুৰুত্বৰ উদ্ধৃতি ছপা ৰূপত, এজবেকৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থৰ বেটুপাতৰ উপস্থাপন, শিক্ষাৰ্থীসকলৰ দ্বাৰা সত্ৰীয়া, ভাৰত নাট্যম আদি ধ্ৰুপতী নৃত্য, বৃহত্তৰ গুৱাহাটীৰ জাতীয় বিদ্যালয়সমূহৰ প্ৰতিনিধি দল, অসমৰ জাতীয় জীৱনৰ কাণ্ডাৰীসকলৰ প্ৰতিচ্ছবি প্ৰদৰ্শনকাৰী দল আৰু প্ৰাক্তন শিক্ষাৰ্থীসকলৰ এটি বৃহৎ দল আৰু অভিভাৱকৰ দলে অংশগ্ৰহণ কৰে।

আবেলি ৩ বজাৰ পৰা অজাবিৰ প্ৰাক্তন শিক্ষাৰ্থীসকলে গুৱাহাটীৰ বিভিন্ন স্থানত থকা মহান ব্যক্তিসকলৰ আৱক্ষ মূৰ্তিলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। সন্ধিয়া ৫ বজাত বিদ্যালয় প্ৰাংগণত বন্তি প্ৰজ্বলন কৰা হয়। সন্ধিয়া ৭ বজাৰ পৰা পাঠক ৰামচৰণ ভৰালীৰ দলে নাগাৰা নাম প্ৰদৰ্শন কৰে।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭

**Silver Jubilee Celebration begins at Assam Jatiya Bidyalay, Noonmati**

**Noonmati, 1 January, 2018 :** Jubilant celebration and cultural procession dawn upon Assam Jatiya Bidyalay, Noonmati on the very first day of the new year as the school starts celebrating its yearlong Silver Jubilee programme. It was the foundation day of the school and the very first day programme started at 9 am. Floral tributes were paid on the portraits of the departed founder members of the management committee and founder teacher. Altogether 25 flags of the school were hoisted. After the welcome speech of the Principal, 25 students performed a Borgeet. The Rector Ranjit Narayan Deka distributed birthday cards among the students born on 1st January. National anthem of Assam was sung by the teachers and students. The chief guest of the programme was eminent literary figure Dr. Lakshmi Nandan Bora. As part of a new initiative from the Assam Jatiya Bidyalay Education Council (AJBEC) for a registration of different of Jatiya Bidyalays of the state, 25 such schools were offered registration certificate formally today at the first phase. The secretary of the management committee Dr. Narayan Sharma on his speech dwelt on the journey of Assam Jatiya Bidyalay from 1994 to 2018 and thanked and remembered the contribution of those people who were involved with the starting of Assam Jatiya Bidyalay movement. After this programme, a big cultural procession was taken out from the school campus to Guwahati club Rotary. Hundreds of ex-students and guardians made this procession more vibrant and colourful. From 3 pm onwards floral tributes were paid on the statues of the renowned persons at Guwahati. The whole school campus was lightened with the Diyas at 5 pm. At 7 pm renowned folk artist Ramcharan Bharali and his team performed Nagara Naam.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati